প্ৰেছ বিজ্ঞপ্তি
২৬ মাৰ্চ, ২০১৭

**বেংকিং বিনিয়ম আইন, ১৯৪৯ (এ এ চি এছ)ৰ ধাৰা ৩৫-কৰ অন্তৰ্গত নিৰ্দেশনা - দ্য আৰ এছ কো-অপাৰেটিভ বেংক লিমিটেড, মুম্বাই, মহাৰাষ্ট্ৰ**

দ্য আৰ এছ কো-অপাৰেটিভ বেংক লিমিটেড মুম্বাই, মহাৰাষ্ট্ৰক দিনাংক ২৪ জুন, ২০১৫ নিৰ্দেশযোগে, ২৬ জুন,২০১৫ৰ ব্যৱসায় সামৰণিৰ পৰা নিৰ্দেশনাধীন কৰা হৈছিল। সময়ে সময়ে দি অহা পৰৱৰ্ত্তী নিৰ্দেশসমূহযোগে সেই নিৰ্দেশনাৰ বৈধতা সম্প্ৰসাৰিত আৰু সালসলনি ঘটাই অহা হৈছে, যাৰ অন্তিমটো আছিল দিনাংক ৩১ জানুৱাৰী, ২০১৭ আৰু যিটো পুনৰীক্ষণ সাপেক্ষে ২৫ মাৰ্চ, ২০১৭লৈ বলবত্ হৈ আছে।

জনসাধাৰণক ইয়াৰ দ্বাৰা জনোৱা হয় যে দ্য আৰ এছ কো-অপাৰেটিভ বেংক লিমিটেড মুম্বাই, মহাৰাষ্ট্ৰক তেনেকৈ জাৰি কৰা দিনাংক ২৪ জুন, ২০১৫ৰ নিৰ্দেশটো, যাক সময়ে সময়ে সালসলনি কৰা হৈছে, ২৬ মাৰ্চ, ২০১৭ৰ পৰা অধিকতৰ ছমাহ অবধিৰ বাবে ২৫ ছেপ্টেম্বৰ, ২০১৭লৈ দিনাংক ২০ মাৰ্চ, ২০১৭যোগে পুনৰীক্ষণ সাপেক্ষে সম্প্ৰসাৰিত কৰা হৈছে।

ওপৰোক্ত সালসলনি ঘটোৱা দিনাংক ২০ মাৰ্চ, ২০১৭ নিৰ্দেশনাটোৰ এটা প্ৰতিলিপি ৰাইজে পঢ়ি চাব পৰাকৈ বেংকটোৰ চৌহদত প্ৰদৰ্শন কৰা হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা উপৰিউক্ত সালসলনিক আপাতঃদৃষ্টিত ধৰি ল’ব নালাগে যে বেংকটোৰ বিত্তীয় অৱস্থাৰ পৰ্যাপ্ত উন্নতিত ভাৰতীয় ৰিজাৰ্ভ বেংক সন্তুষ্ট হৈছে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি - ২০১৬-২০১৭/২৫৬৯**